# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ১৩ আগষ্ট তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**২০২১ চনত অনুষ্ঠিত হোৱা বৃটেইনৰ কল্যাণময় আৰু সাফল্যমণ্ডিত বাৎসৰিক জলছাৰ প্ৰভাৱ আৰু জলছা চলাকালীন অৱস্থাত অৱতীৰ্ণ হোৱা ঐশ্বৰিক ইলাহি কৃপাৰ ঈমান বৰ্দ্ধক ঘটনাৰ ওপৰত আলোকপাত**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় আলহামদুলিল্লাহ জমাত আহমদীয়া বৃটেইনৰ বছৰেকীয়া জলছা এবছৰ পিছত অথবা ক'ব লাগে যে দুবছৰ পিছত যোৱা জুমাৰ দিনাখনৰ পৰা আৰম্ভ হৈ তিনিটা দিন ধৰি এক আধ্যাত্মিক পৰিৱেশৰ প্ৰদৰ্শন কৰি যোৱা দেউবাৰে ইয়াৰ অন্ত পৰিছে। ক'ৰণা ভাইৰাছৰ উপদ্ৰৱত এই বছৰও পৰিৱেশ অনুকুলে নাছিল আৰু আয়োজনকাৰী সকলেও ভাৱিছিল যে এই বছৰতও জলছা অনুষ্ঠিত নহয়। যেতিয়া তেওঁলোকক জনোৱা হৈছিল যে ইনশা আল্লাহ এই বছৰৰ জলছা অনুষ্ঠিত হ'ব তেতিয়াৰে পৰা সম্ভৱত আয়োজনকাৰী সকলে জলছাৰ বাবে সাজু হ'বলৈ আৰম্ভ কৰিছিল যদিও পূৰ্ণ মনোযোগেৰে সকলো কাম সাজু কৰাত ব্যস্ত হোৱা নাছিল। সকলো চাই চিতি অৱশেষত এঠাইত অলপ টানকৈ ক'ব লগা হৈছিল যে যদি আপোনালোকে এয়া ভাৱে যে জলছা হ'ব নে নাই ! মনযোগ দি কাম নকৰে তেন্তে মই নতুন ব্যৱস্থাপকৰ নিযুক্তি দিম। মোৰ এই কথা খিনিয়ে তেওঁলোকৰ মনত জোকাৰি গৈছিল আৰু বেগেৰে কাম কৰিবলৈ  আৰম্ভ কৰিছিল। কৰ্মী সকল যি আমাৰ আচল জনশক্তি, অনুমান হয় তেওঁলোকে আগৰে পৰাই পূৰ্ণ ব্যস্ত হৈ পৰিছিল; গতিকে চাৰিও ফালৰ পৰা ইচ্ছাকৰ্মী সকলেও আহি কামত যোগদান কৰিবলৈ লৈছিল। জলছা যিহেতু সীমিত পৰিসীমাৰ ভিতৰত সৰুকৈ পাতিব লগা হৈছিল সেয়ে ইচ্ছাকৃত বাবে খিদমত আগবঢ়োৱাৰ বিচৰা সকলৰ মাজৰ পৰা বাছনি কৰি কৰ্মী লোৱা হৈছিল। যিসকলে এই খিদমত আগবঢ়োৱাৰ সুবিধা পোৱা নাই; মই তেওঁলোকক এয়া ক'ব বিচাৰো যে যদিও হয়তো আপোনালোকে ইয়াত খিদমত কৰাৰ সুযোগ পোৱা নাই তথাপি হজৰত মছীহ মাওউদ (আঃ)ৰ অতিথিৰ আলপৈচানৰ যি সদ ইচ্ছা সেয়া আপোনালোকৰ পূৰ্ণ হৈ গৈছে। আল্লাহ তা'লা আপোনালোকক ইয়াৰ পুৰস্কাৰৰ পৰা বঞ্চিত নকৰে।

যেনেকৈ মোৰ ৰীতি হ'ল যে জলছাৰ পিছত অহা জুমাৰ দিনাখন মই কৰ্মীবৃন্দ আৰু ইচ্ছাকৰ্মী সকলৰ এই মহান খিদমতৰ শলাগ লৈ থাকো তেনেকৈ বিশ্বজুৰি লোকে মৌলৈ চিঠি লিখি এই সকল ইচ্ছাকৰ্মী সকলৰ শলাগ

লৈ আছে। বৰষুণ আৰু বোকাৰ কাৰণে পাৰ্কিং কৰাত যি অসুবিধাৰ সৃষ্টি হৈছিল; এম-টি-এৰ জৰিয়তে বিশ্বজুৰি লোকে অৱলোকন কৰিব পাৰিছে যে কৰ্মী আৰু ইচ্ছাকৰ্মী সকলে কেনেকৈ গাড়ী বিলাক বোকাৰ পৰা উলিয়াই আনোতে নিজে বোকাত লেট-পেট হৈ গৈছে। এই দৃশ্য চাই আপনজন আৰু পৰ সকলোৱেই বৰ আশ্বৰ্য্য প্ৰকাশ কৰি আছে।

এনেদৰে চাফ-চিকুন বিভাগ ভোজন বিভাগ, ৰন্ধন বিভাগ,ৰুটি বনোৱা আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কাম হ'ল জলছাৰ মাৰ্কিয়া লগোৱা, ট্ৰ্যাক পাৰি দিয়া আদি কামৰ বাবে ইচ্ছাকৰ্মী সকলে ধাৰাবাহিক ভাৱে কেইবা সপ্তাহ ধৰি আহি আছিল আৰু এতিয়া সেই বিলাক গুচাই সামৰি থ'বলৈও আহি আছে। এম-টি-এৰ কৰ্মী সকলেও বৰ পৰিশ্ৰমেৰে প্ৰোগ্ৰাম বনাই কেৱল বিশ্বজুৰি জলছা দেখুৱা নাই বৰং আমাক জলছাৰ ময়দানত বিভিন্ন দেশত একগোট হৈ জলছা দেখোতা সকলৰ দৃশ্য দেখুৱাইছে আৰু এক আন্তৰ্জাতিক ঘৰ এখনৰ ছবি প্ৰদৰ্শন কৰিছে। গতিকে মই সকলো কৰ্মী বৃন্দৰ শলাগ লৈছো। যিসকলে এনে প্ৰতিকুল পৰিস্থিতিৰ মাজতও নিস্বাৰ্থ ভাৱে কাম কৰিছে তেওঁলোকলৈ আন্তৰিক ধন্যবাদ জনাইছো। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় মই ভাৰিছিলো যে আজি কেৱল জলছাৰ কৰ্মী বৃন্দলৈ শলাগ যাঁচি মই নিজৰ নিয়ম অনুযায়ী খোতবাৰ বিষয় বস্তু সম্পৰ্কে বৰ্ণনা কৰিম কিন্তু বিশ্বজুৰি জলছা শুনোতা সকলৰ অনুভূতি,অনুপ্ৰেৰণা আৰু ব্যগ্ৰতা ইমান অসাধাৰণ ভাৱে প্ৰকাশ পাই আছে যে মই চিন্তা কৰিবলৈ বাধ্য হৈছো যে আজিৰ খোতবাতও আগৰ দৰেই প্ৰভাৱান্বিত লোক সকলৰ ভাষ্য আৰু আল্লাহৰ কৃপা সম্পৰ্কে উল্লেখ কৰিব লাগিব।

এই বছৰ অতি চমুকৈ অনুষ্ঠিত হোৱা জলছায় আল্লাহ তা'লাৰ অনুগ্ৰহৰ দুৱাৰ এনেদৰে মুকলি কৰিছে যে মানুহে আল্লাহ তা'লাৰ প্ৰশংসামুখৰ হৈ তাৰ আগত নতশীৰ হ'বলৈ বাধ্য হৈছে। আল্লাহ তা'লাৰ অশেষ কৃপা জমাতৰ ওপৰত বৰ্ষিত হৈছে আৰু সকলোবোৰ প্ৰতিকুল পৰিস্থিতি সত্ত্বেও মানুহে এটা বস্তু অনুষ্ঠিত নোহোৱাৰ বাবে অনুতাপ প্ৰকাশ কৰি আছে যে এইবাৰ বিশ্বব্যাপি বয়াতৰ অনুষ্ঠান পতা নহ'ল যাৰ বাবে তেওঁলোকে অপেক্ষা কৰি আছিল। যিয়েই নহওঁক পৰিস্থিতি সাপেক্ষে এয়া পতাটো অসম্ভৱ আছিল।

এই বছৰ সৰ্বপ্ৰথম লাইভ ষ্ট্ৰিমিংৰ জৰিয়তে বিভিন্ন জমাতবোৰে নিজৰ নিজৰ ঠাইত বহি জলছাত অংশ গ্ৰহণ কৰিব পাৰিছে। বৃটেইনৰ পাঁচ খন ঠাইত এই ব্যৱস্থা কৰা হৈছিল। আনহাতে বৃটেইনৰ বাদে ২২ খন দেশত ৩৬ খন ঠাইত লাইভ ষ্ট্ৰিমিংৰ জৰিয়তে লোকে জলছাত চামিল হৈছিল। সেই দেশবোৰৰ ভিতৰত আমেৰিকা,কানাডা,অষ্ট্ৰেলিয়া,ইণ্ডোনেছীয়া,বাংলাদেশ,মৰিছাছ,কবাবেৰ,ভাৰত,বৰকিনাফাচো,ঘানা,নাইজেৰিয়া, গাম্বিয়া,তানজানিয়া,ফ্ৰান্স,চুইজাৰলেণ্ড,জাৰ্মানি,চুইডেন,বেলজিয়াম,ফিনল্যাণ্ড,আদি অন্তৰ্ভুক্ত হৈছে। এক অনুমান মতে মহিলা সকলৰ ফালৰ পৰা প্ৰায় ৩০ /৩৫ হাজাৰ মহিলায় এই লাইভ ষ্ট্ৰিমিংৰ জৰিয়তে জলছা শুনিছে দেখিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে বিশ্বজুৰি থকা জমাত আহমদীয়াৰ সদস্য আৰু সদস্যা সকল আৰু অ-আহমদী ভাই ভনী সকলৰ অনুপ্ৰাণিত হৃদয়ৰ ভাষ্য আগবঢ়াইছে। এজন অ-আহমদী জাপানি বন্ধু মশিমা আউছামু চাহাব, যিজনে হুজুৰ আনোৱাৰ (আইঃ)ৰ জাপান ভ্ৰমণৰ সময়ত এখেতৰ আতিথ্য কৰাৰ সুযোগ লাভ কৰিছিল। তেখেতে কৈছিল আজি মই ৬ আগষ্ট তাৰিখৰ খোতবা শুনিছিলো; তেতিয়া জাপানলৈ জমাত আহমদীয়াৰ খিদমতলৈ মনত পৰিছিল। আজি জলছাৰ পৰিৱেশ আৰু গোটা বিশ্বৰ লোকৰ সমাগম দেখি মোৰ মনত এয়া ধাৰণা হৈছিল যে গোটা বিশ্বক এখন প্লেটফৰ্মত জমা কৰিবলৈ আৰু শান্তি নিৰাপত্তাৰ বাবে জমাত আহমদীয়াৰ ভূমিকা কিমান গুৰুত্বপূৰ্ণ।

জেম্বিয়াৰ পৰা এজন ঈছাই শিক্ষকে জলছাৰ কাৰ্য্যক্রমনিকা,প্রোগ্রাম আদি শুনি কয় যে আজি মই গম পালো যে ইছলামেই পৃথিৱীত একমাত্র সত্য ধর্ম হিচাপে বৰ্ত্তি আছে। নাইজেৰিয়াৰ পৰা এজন অ-আহমদী বন্ধুৱে ডবা-পিটা বৰযুণৰ মাজত ইচ্ছাকৰ্মী সকলৰ পৰিশ্রম দেখি কয় যে এই জমাত নিশ্চয় সত্যবাদী সকলৰ জমাত। মছুকা জেম্বিয়াৰ পৰা এজন অ-আহমদী শিক্ষকে কয় যে আজি মই আপোনালোকৰ খলিফাৰ পৰা এটা কথা শিকিব পাৰিছো যে ইছলামেই সেই একমাত্র ধর্ম যিয়ে নাৰীৰ অধিকাৰৰ ওপৰত জোৰ দিয়ে। নাইজেৰিয়াৰ এজনী নন আহমদী মহিলা অতিথি,মৰিয়ম চাহিবায় কয় যে আজি মোৰ নাৰীৰ অধিকাৰ আৰু দায়িত্ব সম্পৰ্কে প্রকৃত জ্ঞান লাভ হৈছে। তাই লিখিছে যে যদি আহমদী সকলৰ কথাৰ লগত কাৰ্য্যৰ সামঞ্জস্য থাকে তেন্তে আপোনালোকতকৈ উত্তম মই আন কাকো দেখিবলৈ নাপাওঁ। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে গতিকে প্রত্যেক আহমদীয়ে নিজৰ ঘৰত এই শিক্ষাৰ প্রতিফলন ঘটাব লাগিব যাতে ইছলামৰ এই প্রকৃত শিক্ষাৰ প্রভাৱ যি লোকৰ ওপৰত পৰিছে সেয়া প্রতিষ্ঠিত থাকে। আহমদী পুৰুষ সকলৰ বাবে বৰ সতর্ক থকাৰ বিষয় এয়া যে নিজৰ আচাৰ-আচৰণ নিজৰ ঘৰত যেন ঠিক থাকে। জগতক যেন প্রৱঞ্চনা কৰা নহয়।

কেমেৰুণৰ এখন চহৰ মৰুৱাৰ ওচৰত এখন গাঁৱৰ গাওঁ প্রধান আলহাজ উচমান চাহাবে কয় যে আজিৰ এই জলছাৰ প্রোগ্রাম চাই মোৰ বিশ্বাস হয় যে এয়া সঁচাকৈয়ে ইমাম মাহদীৰ জমাত হয়। মালয়েছিয়াৰ পৰা এজন নমোবাইন বন্ধুৱে কয় যে মই বৃটেইনৰ বছৰেকীয়া জলছা চাই খোদা তালাৰ বহুত শলাগ লৈছো আৰু প্রতিশ্রুতি দিওঁ যে খিলাফতৰ সৈতে সদায় বিশ্বাস আৰু আনুগত্য বজায় ৰাখিম। গিনিবছাওত নমোবাইন আৰু নন আহমদী বন্ধু সকলে জলছাৰ প্রোগ্রাম চাবলৈ ওঠৰ আৰু ত্রিশ কিলোমিটাৰ দূৰৰ পৰা চাইকেলত আৰু খোজকাঢ়ি আহিছিল আৰু ১২৭ জন লোকে আহমদীয়ত গ্রহণ কৰিছে। কঙ্গোৰ এজন ঈছাই বন্ধুৱে নিজৰ পত্নীক কয় যে আমি ইয়াতে তিনিটা দিনত যি শিকিলো; ঈছাইয়তত থাকি সেয়া গোটেই জীৱনতও শিকিব নোৱাৰিলোহেঁতেন। গিনি বছাওয়েৰ এজন নন আহমদী বন্ধুৱে হুজুৰ আনোৱাৰ (আইঃ)ৰ খোতবা শুনি কয় যে ইছলামৰ এতিয়া এজন নেতাৰ প্রয়োজন আৰু সেয়া জমাতে আহমদীয়াৰ ওচৰত খলিফা হিচাপে বর্তমান আছে। এই বন্ধুজনে জলছাৰ শেষত বয়াত কৰি আহমদীয়ত গ্রহণ কৰিছে। ইয়ামিনৰ পৰা আক্রম আলি চাহাবে কৈছে যে যদি খলিফা ওয়াক্তৰ নাৰী অধিকাৰ সম্পৰ্কীয় ভাষণ সকলো সমাজে শুনে আৰু তাৰ ওপৰত আমল কৰে তেন্তে শতকৰাৰ শতকৰা সমাজেই সংশোধন হ'ব পাৰিব।

এনেদৰে হুজুৰ আনোৱাৰ (আইঃ)য়ে নাইজেৰিয়া,জেম্বিয়া,গেবিউন, গিনিকিনাকৰি,কেমৰুণ, মালি,তানজানিয়া, মালয়েছিয়া,ব্রাজিল,গিনিবছাওয়ে,ঘানা,মৰিছাছ, অষ্ট্রিয়া,আইভেৰিকোষ্ট, কঙ্গো,ব্রজাৱেল,ছেনেগাল, ইয়ামিন, আৰদান, ছিৰিয়া,জাৰ্মানী,ইণ্ডোনেচীয়া,কিৰগিস্থান,অষ্ট্রেলিয়া,গোয়েটামালা আৰু আলবানিয়া আদি দেশৰ পৰা নিজ নিজ ঠাইত এম,টি,এৰ অথবা অইন কিবাৰ জৰিয়তে জলছাৰ প্রোগ্রামত চামিল হোৱা আৰু লাভ আহৰণ কৰা আহমদী নাৰী পুৰুষ আৰু নন আহমদী বন্ধু সকলৰ অনুপ্রাণিত হৃদয়ৰ বিভিন্ন প্রভাৱান্বিত ভাষ্য আগবঢ়াইছে। গোটা বিশ্বৰ বিভিন্ন স্থানত আৰু অঞ্চলত বসবাস কৰা,বিভিন্ন ৰঙ বৰণ আৰু বংশৰ আৰু বিভিন্ন ভাষা-ভাষী বন্ধু-বান্ধৱী সকলে জলছাৰ শৃংখলাবদ্ধ ব্যৱস্থাপনা আৰু আধ্যাত্মিক পৰিৱেশ আৰু হুজুৰ আনোৱাৰ (আইঃ)ৰ গুৰু গম্ভীৰ পূৰ্ণ প্রভাৱশালী ভাষণৰ পৰা এক বিশেষ কল্যাণ লাভ কৰাৰ কথা প্রকাশ কৰে। লগতে জলছাত অংশগ্রহণ কৰাৰ পিছত আহমদীয়ত গ্রহণৰও কিছুমান ঈমান উদ্দীপক ঘটনাৰ উল্লেখ কৰে।

বছৰেকীয়া জলছাৰ সময়ত বৃটেইনৰ প্রধান মন্ত্রী আৰু কানাডাৰ প্রধান মন্ত্রীয়ে আৰু বিভিন্ন মন্ত্রী বৰ্গৰ লগতে

ৰাজনৈতিক নেতৃবৃন্দই শুভ কামনাৰে বাৰ্ত্তা প্ৰেৰণ কৰিছে। এনেদৰে বৃটেইনৰ ওপৰিও ন খন দেশৰ পৰা ১০৯ টা কল্যাণকামী বাৰ্ত্তা আহি পাইছে। সেই দেশ সমূহৰ মাজত আছে আমেৰিকা,ছেৰালিউন, গাম্বিয়া,ছেনেগাল, কেনিয়া, স্পেইন,হলেণ্ড আৰু জাৰ্মানী।

আল্লাহ্ তা'লাৰ কৃপাত এম,টি,এ আফ্ৰিকাৰ ওপৰিও অইন কিছুমান স্থানীয় টি,ভি চ্যানেলেও জলছাৰ প্ৰোগ্ৰাম বিলাক প্ৰচাৰ কৰিছে। আফ্ৰিকাত ৫০ মিলিয়ন লোকে নিজৰ ভাষাত অনুবাদ হোৱা জলছাৰ প্ৰোগ্ৰাম শুনিবলৈ পাইছে। আফ্ৰিকাৰ ১৬ টা মান টি,ভি চ্যানেল জলছা সম্পৰ্কে খবৰ প্ৰচাৰ কৰিছে। দক্ষিণ বি বি ছি য়েও জলছাৰ ডকুমেণ্টাৰী (ভিডিঅ) প্ৰদৰ্শন কৰিছে। বি বি ছি ওৱাৰ্ল্ডয়ে এটা বাৰ্ত্তা প্ৰচাৰ কৰি শুনাইছে। চল্লিশটা মান ওৱেব ছাইট জলছাৰ খবৰ প্ৰচাৰ কৰিছে। জলছা সম্পৰ্কে ১৬ টা ৰেডিঅ প্ৰোগ্ৰাম প্ৰচাৰ কৰিছে।এই সকলোবোৰ মাধ্যমৰ ওপৰিও ছোছিয়াল মিডিয়াৰ জৰিয়তে অনুমান ৬৩ লাখ লোকলৈ বাৰ্ত্তা প্ৰেৰণ হৈছে। বাংলাদেশৰ দহটা মান অনলাইন পোৰ্টেজ আৰু বাতৰি কাকতৰ জৰিয়তে জলছাৰ খবৰ ছবি সহকাৰে প্ৰিণ্ট কৰি উলিয়াইছে। ইউটুবত প্ৰায় পোন্ধৰ মিলিয়ন লোকে বিজিট কৰিছে। ইনষ্টাগ্ৰামত প্ৰায় পয়ত্ৰিছ হাজাৰ লোকে এম,টি,এৰ পেজ দেখিছে আৰু ১.৯৭ মিলিয়ন লোকলৈ ইয়াৰ আলাপ হৈছে। টুইট যোগে এক লাখ লোকে এম,টি এৰ পেজ দেখিছে। ফেচবুকৰ জৰিয়তে ৫ লাখ পঞ্চাশ হাজাৰ লোকে এই বাৰ্ত্তা লাভ কৰিছে। এম.টি,এৰ নিজা ওয়েব ছাইটত বহুবাৰ দেখুৱা হৈছে। এম,টি,এৰ আনডিমাণ্ডৰ জৰিয়তে দুই লাখৰও অধিক লোকে জলছা দেখিছে।

খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দোৱা কৰিছে যে আল্লাহ্ তা'লা এই জলছাৰ ভাল ফলাফল প্ৰদান কৰক আৰু পৰিত্ৰ ৰূহ সমূহক আহমদীয়ত অৰ্থাৎ প্ৰকৃত ইছ্লামৰ ফালে মনযোগ দিয়াৰ তৌফিক দান কৰক। আল্লাহ্ তা'লা নামধাৰী উলামা সকলৰ কপটতাৰ পৰা জমাত আৰু সকলো পৰিত্ৰ আত্মাক নিৰাপদ ৰাখক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 13 AUG 2021**

# BOOK POST (PRINTED MATTER)

TO,

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

.............................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**